# ড° ৰাম কৃষণ ভৰদ্বাজ
# -বনাম-
# দিল্লী চৰকাৰ আৰু অন্যান্য

[মুখ্য ন্যায়াধীশ পতঞ্জলি শাস্ত্ৰী, ন্যায়াধীশ মুখাৰজিয়া, ন্যায়াধীশ এচ্ আৰ্ দাস, ন্যায়াধীশ গুলাম হাচান আৰু ন্যায়াধীশ ভাগৱতী]

(আৱেদন নং ৬৭ চন ১৯৫৩)

*প্ৰতিৰোধমূলক আটক আইন, ১৯৫২, প্ৰতিৰোধমূলক আটক আইন, ১৯৫২, ধাৰা ৩- ভাৰতৰ সংবিধান, ১৯৫০, অনুচ্ছেদ ২১, ২২(৫)- আটক কৰি ৰখা ব্যক্তিৰ সম্পূৰ্ণ বিৱৰণ যোগান ধৰাৰ অধিকাৰ- অস্পষ্ট ভিত্তি- মুক্তি পোৱাৰ অধিকাৰ- কেইবাটাও ভিত্তিৰ অস্পষ্টতা- প্ৰভাৱ।*

২১ (৫) অনুচ্ছেদৰ অধীনত এই আদালতৰ পূৰ্বৰ সিদ্ধান্তৰ দ্বাৰা ব্যাখ্যা কৰা অনুসৰি প্ৰতিৰোধমূলক আটক আইনৰ অধীনত ৰখা কোনোবাই তেওঁলোকক কিয় আটক কৰা হৈছে সেই বিষয়ে জনা অধিকাৰ আছে। তেওঁলোকৰ আটকৰ বিষয়ে বিতং তথ্য লাভ কৰাৰ অধিকাৰো আছে যাতে তেওঁলোকে ইয়াক প্ৰত্যাহ্বান জনাব পাৰে। বন্দী ব্যক্তিজনক দিয়া সবিশেষ যথেষ্ট নে নহয় সেয়া ন্যায়াধীশে সিদ্ধান্ত ল'ব পৰা বিষয়। মূল প্ৰশ্নটো হ'ল আটক কৰা ব্যক্তিজনে তেওঁলোকক আটক কৰাৰ বিৰুদ্ধে যুক্তি দিব পৰাকৈ আৰু পৰৱৰ্তী সময়ত মুকলি হ'বলৈ তেওঁলোকক দিয়া তথ্যসমূহ পৰ্যাপ্ত হয় নে নহয় তাক পৰীক্ষা কৰাৰ প্ৰয়োজন নেকি?

সংবিধানৰ ২২নং অনুচ্ছেদৰ দফা(৬)ৰ অধীনত বিশেষাধিকাৰৰ দাবীৰ অধীনত আটক কৰা ব্যক্তিজনক জনোৱা প্ৰতিটো ভিত্তিৰ ক্ষেত্ৰত ভিত্তিসমূহ অস্পষ্ট হ'ব নালাগে বুলি সাংবিধানিক প্ৰয়োজনীয়তা পূৰণ কৰিব লাগিব।

য'ত উল্লেখ কৰা ভিত্তি সমূহৰ এটা ভিত্তি আছিল যে "আপুনি বাৰা হিন্দু ৰাওৰ শৰণাৰ্থী সন্থাৰ সভাপতি হিচাপে শৰণাৰ্থীসকলৰ মাজত স্বেচ্ছাসেৱকৰ নামভৰ্তি কৰি আন্দোলনটো (প্ৰজা পৰিষদ আন্দোলন) সংগঠিত কৰি আহিছে":

ধাৰণা কৰা হৈছিল যে আটক কৰাটো অবৈধ বুলি দাবী কৰাৰ কাৰণ হ'ল যদিও আটক কৰাৰ অন্যান্য কাৰণসমূহ স্পষ্ট আছিল, এই বিশেষ কাৰণটো অস্পষ্ট আছিল আৰু আটক কৰাৰ ক্ষেত্ৰত সঠিক আইনী পদ্ধতি অনুসৰণ কৰা নাছিল, যাৰ ফলত এই আটক অবৈধ আছিল।

*ডিকটাম্*- ব্যক্তি এজনক প্ৰতিৰোধমূলকভাৱে আটক কৰাটোৱে ব্যক্তিজনৰ ব্যক্তি স্বাধীনতাক যথেষ্ট পৰিমাণে খৰ্ব কৰিছিল, আৰু এই আটক কৰাৰ ক্ষমতাৰ কোনো ধৰণৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ সংবিধানৰ সীমিত সুৰক্ষা ব্যৱস্থাসমূহ আদালতে সূক্ষ্মভাৱে নিৰীক্ষণ আৰু বলবৎ কৰিব লাগিব।

**মূল ক্ষেত্ৰাধিকাৰ: আবেদন নং ৬৭ চন ১৯৫৩ ।**

**ভাৰতীয় সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত হাবিয়াছ কৰ্পাছৰ প্ৰকৃতিৰ লেখ আবেদন।**

আবেদনকাৰীৰ অধিবক্তা- বেদ ব্যাস (তেওঁক সহযোগ কৰে ভি. এন. ছেঠি আৰু এছ. কে. কাপুৰ)।

অপৰ পক্ষক প্ৰতিনিধিত্ব কৰে- ভাৰতৰ এটৰ্নী জেনেৰেল এম. চি. চেটালভাদ তেওঁক সহযোগ কৰে জি.এন. যোশীয়ে ।

আদালতৰ ৰায় প্ৰদান কৰা হৈছিল ১৯৫৩ চনৰ ১৬ এপ্ৰিলত ।

***মুখ্য ন্যায়াধীশ পতঞ্জলি শাস্ত্ৰী-***

এই আবেদনখন সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত হাবিয়াছ কৰ্পছৰ প্ৰকৃতিৰ লেখ আবেদন যিখনৰ জৰিয়তে আৱেদনকাৰী ড০ ৰামকৃষ্ণ ভৰদ্বাজে, যি

দিল্লীৰ এজন চিকিৎসক, তেওঁক বেআইনী ভাৱে আটক কৰি ৰাখিছে বুলি উল্লেখ কৰি তেওঁক মুক্তি দিয়াৰ বাবে আদালতৰ আদেশ বিচাৰি প্ৰাৰ্থনা জনাইছে ।

সংশোধিত প্ৰতিৰোধমূলক আটক আইনৰ ৩নং ধাৰাত দিয়া দিল্লীৰ জিলা দণ্ডাধীশৰ নিৰ্দেশৰ অধীনত ১৯৫৩ চনৰ ১০ মাৰ্চ তাৰিখে আবেদনকাৰীক গ্ৰেপ্তাৰ কৰা হয়। ১৯৫৩ চনৰ ১৫ মাৰ্চ তাৰিখে আবেদনকাৰীক কিহৰ ভিত্তি আটক কৰা হৈছে তাৰ বিষয়ে তেওঁক জনোৱা হয়। যোগাযোগ পত্ৰখনৰ প্ৰথম দফাত কোৱা হৈছে যে "জন সংঘ, হিন্দু মহাসভা আৰু ৰাম ৰাজ্য পৰিষদে প্ৰজা পৰিষদ, কাশ্মীৰৰ আন্দোলন প্ৰতি সহানুভূতিশীল হৈ এক অবৈধ অভিযান আৰম্ভ কৰিছে যিয়ে আইন অমান্য কৰাৰ উপৰিও হিংসা আৰু জনসাধাৰণৰ মাজত শৃংখলা বজাই ৰখাৰ প্ৰতি ভাবুকিৰ লগতো জড়িত" যাৰ প্ৰমাণ পৰবৰ্তী উপ-দফাসমূহে দিয়ে। উপ-দফা (ক)ৰ পৰা (ঠ)লৈকে উল্লেখ কৰা ঘটনাসমূহ ১৯৫৩ চনৰ ৪ মাৰ্চৰ পৰা ১০ মাৰ্চৰ ভিতৰত সংঘটিত হোৱা বুলি কোৱা হয়, যিটো তাৰিখত আবেদনকাৰীক গ্ৰেপ্তাৰ কৰা হৈছিল, কিন্তু ইয়াৰ দ্বাৰা আবেদনকাৰীক প্ৰত্যক্ষভাৱে জড়িত কৰা হোৱা নাই। তেওঁলোকে কেৱল ওপৰত উল্লেখ কৰা তিনিটা ৰাজনৈতিক সংগঠনৰ অবৈধ কাৰ্যকলাপৰহে বিৱৰণ দিয়ে। উপ-দফা(ড)টো গুৰুত্বপূৰ্ণ, কিয়নো এই দফাটো আবেদনকাৰীৰ হৈ যুক্তি দিয়া বিদ্বান অধিবক্তা বেদ ব্যাস ডাঙৰীয়াৰ প্ৰথম যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াৰ উদ্ধৃতি তলত দিয়া হৈছে:-

“(ড)১৯৫৩ চনৰ ১১ মাৰ্চৰ সন্ধিয়া চবজিমন্দিত জনসংঘ আৰু মহাসভাৰ কৰ্মীসকলৰ দ্বাৰা বা কৰ্মীসকলৰ প্ৰৰোচনাত যেতিয়া অতি হিংসাত্মকভাবে ইটা, শিল আদি দলিওৱা হৈছিল তেতিয়া আৰক্ষীয়ে জনসংঘ আৰু হিন্দু মহাসভাৰ এক শোভাযাত্ৰা ছত্ৰভঙ্গ কৰিছিল, যাৰ ফলত আৰক্ষী, সাংবাদিক আৰু অন্যান্য অসামৰিক-বিষয়াসহ কেইবাজনো লোক আহত হৈছিল। শ্ৰীমতি মৃদুলা চাৰাভাইক

আক্ৰমণ কৰা হৈছিল, আৰু তেওঁৰ এজন সহযোগী শ্ৰী দনদয়ালক ছুৰীৰ আঘাত কৰা হৈছিল” ।

মন কৰিবলগীয়া যে উপ-অনুচ্ছেদত উল্লেখ কৰা ঘটনাসমূহ আবেদনকাৰীক গ্ৰেপ্তাৰ কৰি আটক কৰাৰ এদিন পিছত অৰ্থাৎ ১১ মাৰ্চ তাৰিখে সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। শ্ৰীযুত বেদ ব্যাসে ইয়াৰ ওপৰত আস্থা প্ৰকাশ কৰি উল্লেখ কৰে যে জিলা দণ্ডাধীশে আৱেদনকাৰীক আটক কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰা নাছিল কিয়নো, যদি তেওঁ বিবেচনা কৰিছিল, তেন্তে তেওঁ সম্ভৱতঃ ১১ মাৰ্চত সংঘটিত হোৱা ঘটনাক ১০ তাৰিখে তেওঁ কৰা কামৰ যুক্তিসংগত কাৰণ হিচাপে উল্লেখ কৰিব নোৱাৰিলেহেঁতেন। যিবোৰ তথাকথিত ভিত্তিত আবেদনকাৰীক আটক কৰা হৈছে বুলি কোৱা হৈছে, সেইবোৰ নিশ্চয় জিলা দণ্ডাধীশৰ কাৰ্যালয়ৰ কোনোবা কেৰাণী বা অধীনস্থ কৰ্মচাৰীয়ে প্ৰস্তুত কৰিছিল আৰু তেওঁ ভালদৰে নোচোৱাকৈয়ে স্বাক্ষৰ কৰিছিল। বিদ্বান এটৰ্নী জেনেৰেলে ব্যাখ্যা কৰে যে ১১ মাৰ্চৰ ঘটনাক আবেদনকাৰীক গ্ৰেপ্তাৰ আৰু আটক কৰাৰ ভিত্তি হিচাপে নহয়, কেৱল জনসংঘ আৰু অন্যান্য ৰাজনৈতিক সংস্থাসমূহে আয়োজন কৰা আন্দোলনৰ অবৈধ কাৰ্যকলাপৰ প্ৰমাণ হিচাপেহে উল্লেখ কৰা হৈছে যি সংস্থাৰ আবেদনকাৰী এজন সক্ৰিয় সদস্য আছিল । এই ব্যাখ্যাটোৰ বিশ্বাসযোগ্যতা খুবেই কম আৰু আমি সময়ে সময়ে কৰা এই ত্ৰুটিক অসাৱধানতাৰে কৰা কাৰ্য্য বুলি গণ্য কৰিব নোৱাৰো । ব্যক্তি এজনৰ স্বাধীনতাৰ সৈতে জড়িত বিষয়বোৰ বিবেচনাৰে আৰু মনোযোগ সহকাৰে মোকাবিলা কৰিব লাগিব বুলি এই ন্যায়ালয়ে বাৰে বাৰে পৰামৰ্শ দিয়া স্বত্বেও এনে বিষয়বোৰ অসাৱধানতাৰে মোকাবিলা কৰাটো দুখজনক। কিন্তু আমাৰ সন্মুখত জিলা দণ্ডাধীশে দাখিল কৰা শপতনামাত উল্লেখ কৰা বক্তব্যসমূহ যে তেওঁ দায়িত্বশীল চোৰাংচোৱা বিষয়াসকলে

তেওঁৰ সন্মুখত দাখিল কৰা প্ৰতিবেদন আৰু সামগ্ৰীসমূহ ভালদৰে পৰীক্ষা কৰি বিবেচনা কৰিছিল আৰু জন সংঘ আদিয়ে আৰম্ভ কৰা আন্দোলনত আবেদনকাৰীয়ে সহায় কৰি থকা বুলি তেওঁ সম্পূৰ্ণ সন্তুষ্ট, এই বোৰৰ প্ৰতি লক্ষ্য ৰাখি আমি এইটো বিচাৰ কৰিবলৈ সাজু নহয় যে জিলা দণ্ডাধীশে আবেদনকাৰীক আটক কৰাৰ আদেশ দিয়াৰ আগতে প্ৰাসংগিক বিষয়সমূহ তেওঁ ভালদৰে বিবেচনা কৰাত ব্যৰ্থ হৈছিল।

বেদ ব্যাস ডাঙৰীয়াই উত্থাপন কৰা দ্বিতীয়টো যুক্তি অধিক শক্তিশালী। ইতিমধ্যে উল্লেখ কৰা অনুসৰি প্ৰথম দফাত উল্লেখ কৰা ভিত্তিসমূহৰ বিবৃতিত তিনিটা ৰাজনৈতিক সংস্থাৰ অবৈধ কাৰ্যকলাপৰ কথা উল্লেখ কৰা হৈছে যদিও ইয়াৰ কোনো এটাতে আবেদনকাৰীক প্ৰত্যক্ষভাৱে জড়িত কৰা হোৱা নাই। দ্বিতীয় দফাটোত দেখুৱা হৈছে যে সেই কামবোৰত আবেদনকাৰী কেনেকৈ চিন্তিত আছিল। ইয়াৰ আৰম্ভণিতে কোৱা হৈছে যে "তলৰ তথ্যসমূহে দেখুৱাইছে যে আপুনি ব্যক্তিগতভাৱে ওপৰত উল্লেখ কৰা আন্দোলনত সহায় কৰি আছে আৰু সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে যাৰ ফলত হিংসা আৰু ৰাজহুৱা শৃংখলা বজাই ৰখাৰ প্ৰতি ভাবুকি আহিছে"। তাৰ পিছৰ চাৰিটা উপ-দফা (ক)ৰ পৰা (ঘ)লৈকে য'ত ১৯৫৩ চনৰ জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহত জনসংঘৰ কাৰ্য্যকৰী সমিতিৰ ব্যক্তিগত বৈঠকৰ কথা উল্লেখ কৰিছে, আৰু অভিযোগ অনুসৰি য'ত অভিযান আৰম্ভ আৰু তীব্ৰতৰ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল আৰু আবেদনকাৰীয়ে উচটনিমূলক ভাষণ প্ৰদান কৰিছিল । এই যুক্তি উপ-দফা(ঙ)ৰ ওপৰত নিৰ্ভৰশীল, আৰু সেই উপ-দফা(ঙ)ত এইদৰে উল্লেখ কৰা হৈছে:

“(ঙ) আপুনি দিল্লীৰ স্থানীয় অঞ্চল বাৰা হিন্দু ৰাওৰ শৰণাৰ্থী সন্থাৰ সভাপতি হিচাপে শৰণাৰ্থীসকলৰ মাজত স্বেচ্ছাসেৱক নামভৰ্তি কৰি আন্দোলনটো

সংগঠিত কৰি আহিছে”। বেদ ব্যাস ডাঙৰীয়াই যুক্তি দিছে যে এই ভিত্তি অত্যন্ত অস্পষ্ট আৰু আবেদনকাৰীক আটক কৰা আদেশৰ বিৰুদ্ধে তেওঁক প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম কৰিব পৰাকৈ কোনো বিশেষ তথ্য দিয়া নাই আৰু সেয়েহে অনুচ্ছেদ ২২(৫)ত প্ৰদান কৰা সাংবিধানিক সুৰক্ষা ব্যৱস্থা উলংঘা কৰা হৈছে। বিদ্বান অধিবক্তাই আত্মাৰাম বৈদ্যৰ গোচৰত দিয়া সিদ্ধান্তৰ ওপৰত আস্থা প্ৰকট কৰে(১) য'ত এই আদালতে সংখ্যাগৰিষ্ঠতাৰে ৰায় দিয়ে যে আটক কৰা ব্যক্তিজনে তেওঁক আটক কৰাৰ ভিত্তিসমূহ তেওঁক জনোৱাৰ অধিকাৰৰ উপৰিও, তেওঁ অধিক অধিকাৰ লাভৰ অধিকাৰী আৰু তেওঁক আটক কৰাৰ আদেশৰ বিৰুদ্ধে প্ৰতিনিধিত্ব কৰাৰ তেওঁক সক্ষম কৰিবলৈ তেওঁক প্ৰদান কৰা "পৰিস্থিতিয়ে অনুমতি দিয়াৰ দৰে সম্পূৰ্ণ আৰু পৰ্যাপ্ত" বিৱৰণ।

প্ৰথম প্ৰশ্নটোৰ ওপৰত এটৰ্নী জেনেৰেলে যুক্তি দিছিল যে ভিত্তিসমূহ সামগ্ৰিকভাৱে পঢ়িব লাগিব আৰু তেনেদৰে পঢ়িলে উপ-দফা(ঙ)ত উল্লেখ কৰা ভিত্তিটোৰ যুক্তিসংগত অৰ্থ হব যে আবেদনকাৰীয়ে মাৰ্চ মাহৰ ৪ তাৰিখৰ পৰা ১০ তাৰিখলৈ বাৰা হিন্দু ৰাও নামেৰে জনাজাত অঞ্চলত স্বেচ্ছাসেৱকৰ নামভৰ্তি কৰি আন্দোলনটোৰ ব্যৱস্থা কৰিছিল । এই ব্যাখ্যা যুক্তিসংগত, কিন্তু যিহেতু আবেদনকাৰীজন নথি-পত্ৰ বিশ্লেষণৰ অভিজ্ঞতা নথকা সাধাৰণ মানুহ, গতিকে এটৰ্নী জেনেৰেলে যিধৰণে ব্যাখ্যা আগবঢ়াইছে তাৰ ভিত্তিত এইটো আশা কৰিবই নোৱাৰি যে আবেদনকাৰীয়ে নিজে তেওঁক আটক কৰাৰ ভিত্তিৰ ব্যাখ্যা কৰিব পাৰিব যদিহে তেওঁক আইনী সাহায্য প্ৰদান কৰা নহয় । কাৰোবাক আটক কৰাৰ কাৰণসমূহ আটক কৰা কৰ্তৃপক্ষই তেওঁক স্পষ্টকৈ বুজাব লাগে যাতে আটক কৰি ৰখা ব্যক্তিজনে নিজাববীয়াকৈ কাৰণসমূহৰ ব্যাখ্যা কৰাৰ কোনো স্থল নাথাকে।

গতিকে আমি ধৰি ল'ব লাগিব যে অনুচ্ছেদ ২ৰ উপ-দফা (ঙ)ত উল্লেখ কৰা ভিত্তিটো ওপৰত যি ব্যাখ্যা কৰা হৈছে সেই ক্ষেত্ৰত ইয়াৰ অৰ্থ স্পষ্ট নহয়।

দ্বিতীয় প্ৰশ্নটোৰ ওপৰত এই আদালতে এতিয়াও স্পষ্ট সিদ্ধান্ত লোৱা নাই। কিন্তু কিছুমান পৰিস্থিতিত এনে লাগে যে আদালতে ধৰি লৈছে যে যদি আটক কৰাৰ এটা বা দুটা অস্পষ্ট কাৰণ থাকে, উক্ত কাৰণে আটক কৰাটো অবৈধ নহ'বও পাৰে, বিশেষকৈ যদিহে এই আটকক সমৰ্থন কৰা আন শক্তিশালী আৰু স্পষ্ট কাৰণ থাকে। শ্ৰীযুত বেদ ব্যাস ডাঙৰীয়াই যুক্তি আগবঢ়ায় যে যদিও আৱেদনকাৰীয়ে উপদেষ্টা পৰিষদৰ সন্তুষ্টিৰ বাবে আন কাৰণবোৰ সফলতাৰে প্ৰত্যাহ্বান জনালেও, তেওঁৰ প্ৰতিনিধিত্বই উপ-দফা(ঙ)ত উল্লেখ কৰা ভিত্তি সন্দৰ্ভত বিফলতাৰ আশংকা থাকে। কাৰণ আবেদনকাৰীয়ে ইয়াক প্ৰতিহত কৰিবলৈ নিৰ্দিষ্ট সবিশেষৰ অভাৱ। ফলস্বৰূপে উপদেষ্টা পৰিষদে তেওঁক আটক কৰি ৰখাৰ পৰামৰ্শ দিব পাৰে । যুক্তিটো বলবিহীন নহয় কিয়নো পৰামৰ্শ দিয়া সম্ভাৱনাটো সম্পূৰ্ণৰূপে অস্বীকাৰ কৰিব নোৱাৰি। এটৰ্নী জেনেৰেলে শেহতীয়াকৈ প্ৰতিৰোধমূলক আটক আইনৰ ১০ নং ধাৰাৰ সংশোধনৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰে যাৰ পৰিণামস্বৰুপে আবেদনকাৰীয়ে ইচ্ছা কৰিলে উপদেষ্টা ব'ৰ্ডৰ সন্মুখত ব্যক্তিগতভাৱে শুনানি লোৱাৰ অধিকাৰ পাব পাৰে । ইয়াৰ উপৰিও কোৱা হৈছিল যে এইদৰে তেওঁ ব'ৰ্ডৰ জৰিয়তে প্ৰয়োজনীয় নথি-পত্ৰ লাভ কৰাৰ সুযোগ পাব যদিহে ব'ৰ্ডে ভাৱে যে সেইবোৰ নথি-পত্ৰৰ দাবী ন্যায্য আৰু যুক্তিসংগত তেতিয়া ব'ৰ্ডে চৰকাৰক সেই নথি-পত্ৰ তেওঁক প্ৰদান কৰিবলৈ আহ্বান জনাব পাৰে । এইদৰে আবেদনকাৰীয়ে ইতিমধ্যে পৰ্যাপ্ত নথি-পত্ৰ প্ৰদান নকৰাৰ বাবে কোনো ধৰণৰ কষ্ট বা পক্ষপাতিত্বৰ সন্মুখীন নহ'ব। কিন্তু প্ৰশ্নটো এইটো নহয় যে আবেদনকাৰীয়ে তেওঁৰ প্ৰতিনিধিত্বৰ দ্বাৰা মুক্তি নিশ্চিত কৰাৰ ক্ষেত্ৰত প্ৰকৃততে পক্ষপাতিত্বমূলকভাৱে প্ৰভাৱিত হ'ব

নেকি, বা তেওঁৰ সাংবিধানিক সুৰক্ষা উলংঘা হৈছে নেকি? ব্যক্তি এজনক প্ৰতিৰোধমূলক আটক কৰাটোৱে ব্যক্তিজনৰ ব্যক্তি স্বাধীনতাক যথেষ্ট পৰিমাণে খৰ্ব কৰিছিল, আৰু এই আটক কৰাৰ ক্ষমতাৰ কোনো ধৰণৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ সংবিধানৰ সীমিত সুৰক্ষা ব্যৱস্থাসমূহ আদালতে সূক্ষ্মভাৱে নিৰীক্ষণ আৰু বলবৎ কৰিব লাগিব। এই গোচৰত আদালতৰ সংখ্যাগৰিষ্ঠ ন্যায়াধীশে ব্যাখ্যা কৰা অনুসৰি, আবেদনকাৰীৰ ২২(৫) অনুচ্ছেদৰ অধীনত তেওঁক আটক কৰাৰ ভিত্তি সম্পৰ্কীয় নথি-পত্ৰ লাভ কৰাৰ অধিকাৰ আছে "যিবোৰে তেওঁক আবেদন দাখিল কৰিবলৈ যথেষ্ট পৰিমাণে সক্ষম কৰিব, আৰু যিটো বিবেচনা কৰিলে, তেওঁক সকাহ দিব পৰা যাব।" আমাৰ অভিমত হ'ল যে এই সাংবিধানিক প্ৰয়োজনীয়তাখিনি আটক কৰা ব্যক্তিজনক জনোৱা প্ৰতিটো ভিত্তিৰ সন্দৰ্ভত সন্তুষ্টজনকভাৱে প্ৰয়োগ হ'ব লাগিব, অৱশ্যে সেয়া অনুচ্ছেদ ২২-ৰ দফা(৬)ৰ অধীনৰ বিশেষাধিকাৰৰ দাবী সাপেক্ষেহে। যিহেতু সেইটো অনুচ্ছেদ ২ৰ উপ-দফা (ঙ)ত উল্লেখ কৰা ভিত্তিৰ সন্দৰ্ভত ইয়াক মানি চলা হোৱা নাছিল, সেয়েহে আবেদনকাৰীক আটক কৰাটো ২১নং অনুচ্ছেদ অনুসৰি সৃষ্ট আইনত উল্লেখিত পদ্ধতি অনুসৰি কৰা আটক বুলি ধৰিব নোৱাৰি। সেয়েহে আবেদনকাৰীয়ে মুক্তি লাভ কৰাৰ অধিকাৰ আছে আৰু সেয়েহে আমি তেওঁক অতি সোনকালে মুক্ত কৰিবলৈ নিৰ্দেশ দিওঁ।

আবেদন মঞ্জুৰ কৰা হ'ল।

আবেদনকাৰীৰ প্ৰতিনিধিত্ব কৰে- গণপত ৰায়

প্ৰতিপক্ষক প্ৰতিনিধিত্ব কৰে- জি. এইচ. ৰাজাধ্যক্ষ

অনুবাদকাৰী- সুচেনজিৎ বায়ন, জেষ্ঠ অনুবাদক

# DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্রত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্রতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)